بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আই৪) য়ে ২০১৮ চনৰ ২৮ ডিচেম্বৰত মছজিদ বায়তুল ফতুহ মৌৰডনৰ (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ, তাউয, তাছমিয়া আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) কয় যে মই আজি যি সকল বদৰি চাহাবাৰ বিষয়ে উল্লেখ কৰিম তাৰ মাজত প্ৰথমজন হ'ল হজৰত আব্দুল্লাহ বিন আবি আনছাৰী (ৰাঃ)। তেখেত (ৰাঃ) বয়াতে উকবা দ্বিতীয়ত অংশ গ্ৰহন কৰিছিল। তেখেত (ৰাঃ) য়ে বদৰৰ যুদ্ধ,অহুদৰ যুদ্ধ আৰু মুতাৰ যুদ্ধত অংশ গ্ৰহন কৰাৰ সৌভাগ্য লভিছিল। মুতাৰ যুদ্ধত তেখেত (ৰাঃ) য়ে শ্বাহাদত বৰণ কৰিছিল।

দ্বিতীয়জন চাহাবা হ'ল হজৰত আতিয়া বিন নুয়াইৰা (ৰাঃ)। এখেতে বদৰৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল। এখেত (ৰাঃ) ৰ বিষয়ে ইখিনিয়ে মাত্ৰ ইতিহাসৰ পৰা জানিব পৰা যায়। ইয়াৰ পিছত হজৰত ছোহেল বিন কায়েছ (ৰাঃ)। এখেত (ৰাঃ) বিখ্যাত শ্বায়েৰ হজৰত কাআব বিন মালিকৰ খুৰাত ভাই আছিল। ছোহেল (ৰাঃ) বদৰ আৰু অহুদৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল আৰু অহুদৰ যুদ্ধতেই শ্বহীদ হোৱাৰ সৌভাগ্য লভিছিল। আঁহজৰত (ছাঃ) য়ে প্ৰত্যেক বছৰেই অহুদৰ শ্বহীদ সকলৰ কবৰ জিয়াৰতলৈ যোৱা কৰিছিল। আঁহজৰত (ছাঃ) কৈছিল যে হায় ! মই এই পাহাৰীয়া সকলৰ লগত যদি হলোহেঁতেন ! অৰ্থাৎ মই যদি সেই দিনাখন শ্বাহাদত লাভ কৰিব পাৰিলোহেঁতেন।

এবাৰ আঁহজৰত (ছাঃ) য়ে হজৰত মুচাআব বিন আমিৰ (ৰাঃ) ৰ কবৰৰ কাষেদি গৈ থাকোতে থমকি ৰৈ দোৱা কৰিছিল আৰু নিম্নোক্ত আয়াত পাঠ কৰিছিল -" মিনাল মুমিনীনা ৰিজালুন ছাদাকু মা আহাদুল্লাহা আলাইহি ,ফামিনহুম মান কাজা নাহবাহু ওয়া মিন হুম মাইঁয়ানতাজিৰু ওয়া মা বাদ্দালু তাবদিলা" (আল আহজাব ঃ২৪)

অৰ্থাৎ মোমিন সকলৰ মাজত এনে পুৰুষ আছে, যি সকলে আল্লাহত দিয়া প্ৰতিশ্ৰুতি বাস্তবায়িত কৰি দেখুৱায়। গতিকে সেই সকলৰ মাজত তেওঁও আছে, যিজনে নিজৰ প্ৰতিশ্ৰুতি পূৰ্ণ কৰিছে আৰু সেই সকলৰ মাজত তেওঁলোকেও আছে, যি সকলে এতিয়াও অপেক্ষা কৰি আছে আৰু তেওঁলোকে কেতিয়াও নিজৰ নীতিত কোনো ধৰণৰ পৰিবৰ্ত্তন নকৰে। আকৌ তেখেত (ছাঃ) য়ে কৈছিল যে মই সাক্ষী দিওঁ যে এওঁলোক কিয়ামতৰ দিনা আল্লাহৰ সান্নিধ্যত শ্বহীদ গণ্য হ'ব। তোমালোক এওঁৰ ওচৰলৈ আহিবা আৰু তাৰ জিয়াৰত কৰিবা আৰু তাৰ প্ৰতি ছালাম প্ৰেৰণ কৰিবা। শপত লৈছো সেই সত্তাৰ, যাৰ অধীনত মোৰ প্ৰাণ ! কিয়ামতৰ দিন পৰ্যন্ত যিজন তাৰ প্ৰতি ছালাম প্ৰেৰণ কৰিব ! এওঁ তাৰ উত্তৰ প্ৰদান কৰিব। আঁহজৰত (ছাঃ) ৰ চাহাবা সকলে ইয়ালৈ আহি তাৰ বাবে দোৱা কৰিছিল আৰু ছালাম দিছিল। হজৰত ছোহেল বিন কায়েছৰ ভনী হজৰত ছুখতাহ আৰু হজৰত উমৰা (ৰাঃ) ও আঁহজৰত (ছাঃ) ৰ ওপৰত ঈমান স্থাপন কৰিছিল আৰু তেখেত (ছাঃ) ৰ বয়াতৰ কল্যাণত কল্যাণ মণ্ডিত হৈছিল।

আন এজন চাহাবী আছিল হজৰত আব্দুল্লাহ বিন হুমাইইয়াৰ আল আশ্বজায়ী (ৰাঃ)। তেখেতে বদৰৰ যুদ্ধত নিজৰ ভাই হজৰত খাৰজাৰ সৈতে অংশগ্ৰহন কৰিছিল। তেখেত (ৰাঃ) য়ে অহুদৰ যুদ্ধতও অংশ লৈছিল। হজৰত আব্দুল্লাহ বিন হুমাইইয়া সেই সকল চাহাবাৰ অন্তৰ্ভুক্ত আছিল যি সকলে অহুদৰ যুদ্ধত হজৰত আব্দুল্লাহ বিন জাবিৰৰ সৈতে অহুদৰ সেই পাহাৰীয় বাটত চোকা পহৰা দি আছিল। যেতিয়া যুদ্ধ ময়দানৰ চাহাবা সকলে বিজয় লাভ দৰ্শন কৰিছিল তেতিয়া মুছলমান সকলৰ বিভিন্ন জমাতবোৰৰ সৈতে মিলিবলৈ সেই বাট পহৰা দি থকা সকলেও তললৈ নামি যাবলৈ লৈছিল তেতিয়া হজৰত আব্দুল্লাহ বিন হুমাইইয়া তেওঁলোকক নচিহত কৰিবলৈ থিয় দিছিল। তেখেত (ৰাঃ) য়ে প্ৰথমে আল্লাহৰ প্ৰশংসা কৰিছিল তাৰ পিছত আল্লাহ আৰু তাৰ ৰছুলৰ আনুগত্য বজাই ৰখাৰ উপদেশ দিছিল। কিন্তু তেওঁলোকে আব্দুল্লাহ বিন হুমাইইয়াৰ কথা অমান্য কৰি তললৈ নামি গৈছিল। ইমানেই যে সেই গিৰিপথত হজৰত আব্দুল্লাহ বিন জাবিৰৰ সৈতে তেতিয়া মাত্ৰ দহজনতকৈ বেছি নহব, চাহাবা উপস্থিত আছিল। এনেতে খালিদ বিন অলিদ আৰু আক্ৰামা বিন আবু জেহেল আহি গিৰিপথটো জনশূন্য দেখা পাই,তাত ৰৈ থকা অলপ কেইজন চাহাবাৰ ওপৰত

আক্ৰমণ চলাইছিল। তেতিয়া এই সৰু দলটোৱে তেওঁলোকলৈ তীৰ বৰ্ষণ কৰিবলৈ লৈছিল যদিও কাফিৰৰ দলটো আহি চাহাবা সকলৰ ওচৰ পাইছিল আৰু সেই জমাতটোৰ সকলোকে শ্বহীদ কৰি দিছিল।

হজৰত মিৰ্জা বশ্বিৰ আহমদ চাহাবে খাতামান নাবীঈনৰ জীৱণী নামৰ গ্ৰন্থত উক্ত ঘটনাটো বহলাই লিখিছে। লিখিছে যে আঁহজৰত (ছাঃ) য়ে খোদা তায়লাৰ কৃপাৰ ওপৰত ভৰষা কৰি আগুৱাই গৈ অহুদৰ নিচেই কাষত গৈ বাহৰ পাতিছিল। এনেকুৱা ঠাইত অৱস্থান কৰিছিল যে অহুদৰ পাহাৰখন মুছলমান সকলৰ পিছফালে ৰৈ আছিল আৰু মদিনা আছিল সন্মুখৰ ফালে। এনেদৰে তেখেত (ছাঃ) য়ে সৈন্য সকলৰ পিছ ফালটো সুৰক্ষিত কৰিছিল। পিছফালৰ পাহাৰখনত এটা গিৰিপথ আছিল, যি ফালেৰে আক্ৰমণ হোৱাৰ সম্ভাৱনা আছিল, সেই গিৰিপথ ৰূদ্ধ ৰাখিবলৈ তেখেত (ছাঃ)য়ে আব্দুল্লাহ বিন জাবিৰৰ নেতৃত্বত পঞ্চাছ জন তীৰ আন্দাজ চাহাবাৰ দল এটা তাত সুৰক্ষা কবচ হিচাপে পহৰা দিবলৈ নিযুক্ত কৰিছিল। তেওঁলোকক নিৰ্দেশ দিছিল যে যুদ্ধত যিয়েই নহওঁক কিয়, তোমালোকে গিৰিপথ এৰি না আহিবা আৰু শত্ৰু সকলৰ ওপৰত তীৰ চলাই থাকিবা। তেখেত (ছাঃ) য়ে উক্ত গিৰিপথ সুৰক্ষিত ৰখাৰ প্ৰতি ইমানেই জোৰ দিছিল যে তেখেত (ছাঃ) য়ে বাৰে বাৰে আব্দুল্লাহ বিন জাবেৰক কৈছিল যে কোনো পধ্যেই গিৰিপথ যেন জনশূন্য নহয়। ইমান লৈকে যে যদি তুমি দেখা যে আমাৰ জয় হৈ গৈছে আৰু শত্ৰু সকলে পলায়ন কৰিছে তথাপিও তুমি এই গিৰিপথ এৰি গুচি না আহিবা। আনহাতে যদি তুমি দেখিবলৈ পোৱা যে মুছলমান সকল পৰাজয় বৰণ কৰিছে আৰু শত্ৰুয়ে আমাৰ ওপৰত বিজয়ী হৈছে তথাপিও তুমি এই ঠাইখন এৰি নিদিবা। আন এটা ৰোৱায়েতত উল্লেখ আছে যে যদি তুমি দেখিবলৈ পোৱা যে চৰাই-চিৰিকটিয়ে আমাৰ শৰীৰৰ মাংস ছিঙিলৈ আছে তথাপিও তুমি এই গিৰিপথ এৰি না আহিবা যেতিয়ালৈকে তোমাক ইয়াৰ পৰা আঁতৰি অহাৰ আদেশ দিয়া নহয়। নিজৰ পিছফালটো সুৰক্ষিত কৰি তেখেত (ছাঃ) য়ে মুছলমান সৈন্যক শাৰী পাতিবলৈ দিয়ে আৰু বিভিন্ন দলৰ নিমিত্তে ঠায়ে ঠায়ে আমিৰ নিযুক্ত কৰি দিয়ে। যেতিয়া আব্দুল্লাহ বিন জাবেৰৰ লগৰীয়া সকলে দেখিছিল যে মুছলমান সকলৰ জয়লাভ হৈছে তেতিয়া তেওঁলোকে নিজৰ আমিৰ আব্দুল্লাহ বিন জাবেৰক কৈছিল যে এতিয়া আমাৰেই বিজয় হৈছে আৰু মুছলমান সকলে মালে গনিমত জমা কৰি আছে,আপুনি আমাক অনুমতি দিয়ক,আমিও গৈ সৈন্য সকলৰ লগত মিলি মালে গনিমত জমা কৰো। হজৰত আব্দুল্লাহ তেওঁলোকক বাধা দিছিল আৰু আঁহজৰত (ছাঃ) ৰ কঠোৰ নিৰ্দেশ সম্পৰ্কে মনত পেলাই দিছিল কিন্তু সিহঁতে বিজয়ৰ আনন্দত মতলীয়া হৈ পৰিছিল গতিকে আব্দুল্লাহ (ৰাঃ)ৰ বাধা উপেক্ষা কৰি তললৈ নামি আহিছিল, আৰু কৈছিল যে ৰছুলুল্লাহ (ছাঃ) ৰ নিৰ্দেশৰ অৰ্থ হ'ল যে যেতিয়ালৈকে পূৰ্ণ বিজয় লক্ষণ দেখা পোৱা নাযায়, গিৰিপথ এৰি না আহিবা। সেয়ে এতিয়া যিহেতু বিজয় সাব্যস্ত হৈ গৈছে, গতিকে গিৰিপথ এৰি গলে একো ক্ষতি নহয়। এনেদৰে আব্দুল্লাহ বিন জাবেৰ আৰু তাৰ পাচ-ছয়জন লগৰীয়াৰ বাহিৰে আৰু কোনেও সেই গিৰিপথ ৰক্ষাৰ্থে উপস্থিত নাছিল। খালিদ বিন অলিদৰ তীক্ষ্ণ চকু-যুৰিয়ে দুৰৰ পৰা সেই গিৰিপথ জনশূন্য দেখা পাইছিল, যাৰ ফলত তেওঁ অতি সোনকালে নিজৰ আৰোহী সকলক গোটেই লৈ গিৰিপথৰ ফালে চোঁচা লৈছিল, তাৰ পিছে পিছে আকৰামা বিন আবু জেহেলও আছিল। এই দুয়োটা দলেই গৈ আব্দুল্লাহ বিন জাবেৰ আৰু তাৰ লগৰীয়া সকলক তৎক্ষনাত শ্বহীদ কৰি দিছিল আৰু ইছলামী সৈন্যৰ ওপৰত পিছফালৰ পৰা হঠাতে জাপিয়াই পৰি আক্ৰমণ চলাইছিল।

আন এজন চাহাবী আছিল হজৰত আবিদ বিন আউচ আনছাৰী (ৰাঃ)। হজৰত আবিদ বিন আউজ বদৰৰ যুদ্ধত হজৰত আকিল বিন আবু তালিবক বন্ধী কৰিছিল। এনেদৰে উল্লেখ আছে যে তেখেতে হজৰত আববাচ আৰু হজৰত নওফলকেও কয়েদ কৰিছিল। যেতিয়া তেখেত (ৰাঃ) য়ে এওঁলোক তিনিওজনক ৰছীৰে বান্ধিলৈ ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত উপস্থিত কৰিছিল তেতিয়া আঁহজৰত (ছাঃ) য়ে কৈছিল -''লাকাদ আআনাকা আলায়হিম মালাকুন কাৰিম'' নিশ্চয় এই ক্ষেত্ৰত এক জবৰদস্ত ফিৰিস্তাই তোমাক সহায় কৰিছে। এই বিষয়টো লৈ আঁহজৰত (ছাঃ) য়ে তেখেত (ৰাঃ)ক মুকিৰৰু উপাধিৰে ভুষিত কৰিছিল। অৰ্থাৎ ৰছীৰে মেৰীয়াই লওঁতা।

এতিয়া আকৌ হজৰত আব্দুল্লাহ বিন জুবায়েৰৰ বিষয়ে বৰ্ণনা কৰা হ'ব। এখেত (ৰাঃ) সেই সত্তৰ জন চাহাবা সকলৰ এজন আছিল,যি সকলে বয়াত উকবা ছানিয়াত অংশ লৈছিল। তেখেত (ৰাঃ)য়ে বদৰ আৰু অহুদৰ যুদ্ধত

অংশগ্ৰহন কৰিছিল আৰু অহুদৰ যুদ্ধতেই শ্বহীদ হৈছিল। হজৰত আবুল আচ (আঁহজৰত (ছাঃ) ৰ জীয়েক জয়নবৰ পতি) বদৰৰ যুদ্ধত মুশৰেকিন সকলৰ ফালৰ পৰা যোগ দিছিল। হজৰত আব্দুল্লাহ বিন জাবেৰ (ৰাঃ) য়ে তেওঁক যুদ্ধ বন্ধী বনাইছিল অৰ্থাৎ কয়েদ কৰি আনিছিল। তেওঁৰ পণ হিচাপে তেওঁৰ পত্নী অৰ্থাৎ আঁহজৰত (ছাঃ)ৰ জীয়েক জয়নবে মক্কাৰ পৰা কিছুমান বস্তু পঠাইছিল। সেই বস্তু বিলাকৰ মাজত তাইৰ এডাল হাৰ আছিল। এই হাৰডাল হজৰত খাদিজা (ৰাঃ) য়ে গহনা হিচাপে নিজৰ জীয়েক জয়নবক দিছিল। আঁহজৰত (ছাঃ) য়ে যেতিয়া সেই হাৰডাল দেখা পাইছিল তেতিয়া মৰহুমা খাদিজা (ৰাঃ) ৰ স্মৃতি জাগি উঠিছিল আৰু তেখেত (ছাঃ)ৰ চকু-যুৰি চকুলোৰে ভৰি পৰিছিল আৰু চাহাবা সকলক কৈছিল, যে তোমালোকে যদি পছন্দ কৰা তেন্তে জয়নবৰ মাল বস্তু খিনি ঘুৰাই দিয়া। চাহাবা সকলে তৎক্ষনাত জয়নবৰ বস্তু ঘুৰাই দিছিল আৰু আঁহজৰত (ছাঃ) য়ে সেই নগদ পণৰ পৰিবৰ্ত্তে আবুল আচৰ সৈতে এয়া চৰ্ত বান্ধিছিল যে তেওঁ মক্কালৈ গৈ জয়নবক মদিনালৈ পঠাই দিব লাগিব। এনেদৰে এটা মোমিন আত্মাই কুফৰৰ চক্ৰ বেহুৰ পৰা মুক্তি পাইছিল আৰু কিছুদিন পিছত আবুল আচও মুছলমান হৈ মদিনালৈ হিজৰত কৰিছিল আৰু এনেদৰে আকৌ পতি পত্নীৰ মিলন ঘটিছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ) য়েও অহুদৰ ঘটনাবোৰ বিতং বৰ্ণনা কৰিছে। তেখেত (ৰাঃ) য়ে কৈছে যে যি সকল চাহাবা ৰছুলুল্লাহ (ছাঃ) ৰ কাষত আছিল আৰু যি সকলে শত্ৰুৰ আক্ৰমণত পিছুৱাই গৈছিল, তেওঁলোকে আকৌ কাফিৰ সকলে পিছুৱাই যোৱাৰ লগে লগে আহি ৰছুলুল্লাহ (ছাঃ) ৰ কাষত জমা হৈছিল আৰু তেখেত (ছাঃ) ৰ শৰীৰটো মাটিৰ পৰা তুলি লৈছিল। অলপ পিছতেই ৰছুলুল্লাহ (ছাঃ) য়ে সম্বেদ ঘুৰাই পাইছিল আৰু চাহাবা সকলে ময়দানৰ চাৰিও ফালৰ পৰা দৌৰি আহি এঠাইত জমা হৈছিল আৰু ৰছুলুল্লাহ (ছাঃ)য়ে তেওঁলোকক লৈ পাহাৰৰ কাষলৈ গুচি আহিছিল। যেতিয়া পাহাৰৰ ওচৰত জীয়াই থকা মুছলমান সকলে আহি থিয় হৈছিল তেতিয়া আবু ছুফিয়ান চিঞৰি চিঞৰি কৈছিল যে মহম্মদ (ছাঃ) ক মাৰি পেলাইছো। ৰছুলুল্লাহ (ছাঃ) য়ে আবু ছুফিয়ানৰ কথাৰ কোনো উত্তৰ দিয়া নাছিল যাতে শত্ৰু সকলে মুছলমান সকলৰ অৱস্থাৰ গমলৈ আকৌ আক্ৰমণ কৰিব নোৱাৰে। কাৰণ তেতিয়া মুছলমান সকলে বৰ দুৰ্বল হৈ পৰিছিল। মুশৰিক সকলে এজন এজনকৈ হজৰত আবু বক্কৰ আৰু হজৰত ওমৰ (ৰাঃ) ৰ নাম লৈ কৈছিল,আমি সিহঁতকও মাৰি পেলাইছো। তথাপি আঁহজৰত (ছাঃ) য়ে মুছলমান সকলক তাৰ উত্তৰ দিবলৈ মানা কৰিছিল। তেতিয়া আবু ছুফিয়ান আৰু তাৰ লগৰীয়া সকলে আনন্দেৰে উল্লাসিত হৈ ধ্বনি দিছিল ‘‘উলু হুবুল’’ অৰ্থাৎ আমাৰ সন্মানিত মুৰ্ত্তি হুবুলৰ মৰ্যদা উন্নীত হৈছে, তেওঁ আজি ইছলামৰ অন্ত পেলাইছে। তেতিয়া তেখেত (ছাঃ) য়ে ব্যাগ্ৰতাৰে চাহাবা সকলক কৈছিল যে তোমালোকে এতিয়াও কিয় উত্তৰ দিয়া নাই। চাহাবা সকলে সুধিছিল, ইয়া ৰছুলুল্লাহ ! আমি কি উত্তৰ দিম ? ৰছুলুল্লাহ (ছাঃ) য়ে শিকাই দিছিল কোৱা ‘‘আল্লাহু আলা ওয়া আজল-আল্লাহু আলা ওয়া আজল’’ তোমালোকে মিছা মাতিছা যে হুবুলৰ মৰ্যদা উন্নত হৈছে। ‘‘আল্লাহু ওৱাহেদ লাশৰিক’’ তেৰেই মৰ্যদা সম্পন্ন আৰু ক্ষমতাশালী।

হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে আয়াত -‘‘ফাল ইয়াহ জাৰিল্লাজিনা ইউখালিফুনা আন আমৰিহি আন তুছি বাহুম ফিতনাতুন আউ ইউছিবাহুম আযাবুন আলিম’’ৰ ব্যাখ্যা কৰোঁতা বৰ্ণনা কৰিছে যি সকলে এই ৰছুলৰ আদেশৰ বিৰুধীতা কৰে, তেওঁলোকে এই বিষয়ে ভয় কৰা উচিত যে তেওঁলোকলৈ খোদা তায়লাৰ ফালৰ পৰা কোনো বিপদ যেন নাহে অথবা তেওঁলোকে যেন কোনো যন্ত্ৰনাদায়ক শাস্তি প্ৰাপ্ত নহয়। গতিকে চোৱা ! অহুদৰ যুদ্ধত এটা আদেশ উলঙ্ঘাঁ কৰাৰ হেতুকে ইছলামী সৈন্যৰ কিমান ক্ষতি হৈছিল। ৰছুলুল্লাহ (ছাঃ) য়ে গিৰিপথ ৰক্ষাৰ্থে পঞ্চাছ জন চিপাহী নিযুক্তি কৰিছিল আৰু এই গিৰিপথ ইমানেই গুৰুত্ব পূৰ্ণ আছিল যে তেখেত (ছাঃ) য়ে সেই দল নেতা আব্দুল্লাহ বিন জাবেৰ আনছাৰীক মাতি আনি কৈছিল যে আমি মৰি গলে অথবা জয়ী হলেও তোমালোকে এই পথ অৱৰুধ এৰি নিদিবা। কিন্তু যেতিয়া কাফিৰ সকল পৰাজয় হৈছিল তেতিয়া গিৰিপথ ৰক্ষী চিপাহী সকলে তেওঁলোকৰ নেতাক কৈছিল যে এতিয়া বিজয় হৈ গৈছে গতিকে আমি ইয়াত টইল দি থকাটো বেকাৰ। গতিকে আমাক অনুমতি দিয়ক, আমিও গৈ যুদ্ধত চামিল হোৱাৰ নেকি অৰ্জন কৰো। তেওঁলোকৰ নেতা আব্দুল্লাহ তেওঁলোকক বুজাইছিল যে তোমালোকে ৰছুলুল্লাহ (ছাঃ)ৰ আদেশ আওকাণ নকৰিবা। কিন্তু তেওঁলোকে খোদা তায়লাৰ ৰছুলৰ আদেশৰ ওপৰত নিজৰ ৰায়ক প্ৰাধান্য দি সেই

গিৰিপথ এৰি গুচি আহিছিল। মাত্ৰ সাত আঠজন চিপাহীলৈ আব্দুল্লাহ বিন জাবেৰ তাত ৰৈ আছিল। কাফিৰ সকলৰ নেতা খালিদ বিন অলিদ পাহাৰৰ ফালে লক্ষ্য কৰি দেখিছিল যে গিৰিপথত চিপাহী নাই। তেওঁ তৎক্ষনাত নিজৰ ছেদেলি-ভেদেলি হৈ যোৱা সৈন্য সকলক সম্ভালি লৈ ইছলামী সৈন্য গিৰিপথ ৰক্ষী কেইজনক শ্বহীদ কৰি দি পাহাৰৰ চড়ালৈ উঠি গৈছিল আৰু তলত থকা ইছলামী সৈন্যক পিছফালেৰে আক্ৰমণত জপিয়াই পৰিছিল। কাফিৰ সকলৰ এই আক্ৰমণ অচৰিতে হোৱা কাৰণে মুছলমান সকল জয়লাভৰ আনন্দত ইফাল সিফাল গুচি যোৱাৰ পৰিপ্ৰেক্ষিতে সকলোৰে একেলগ হ'ব পৰা নাছিল। কেৱল মাত্ৰ কেইজন চাহাবা দৌৰি আহি ৰছুলুল্লাহ (ছাঃ) ৰ কাষত জমা হ'ব পাৰিছিল, যি সকলৰ সংখ্যা বৰ বেছি বিশ জন মান আছিল। এওঁলোকে নো আৰু কিমান সময় যুজঁ দি তিষ্টি থাকিব পাৰিছিল। অৱশেষত কাফিৰ সকলৰ যুটীয়া আক্ৰমণত মুছলমান সকলে তিষ্টিব নোৱাৰি পিছুৱাই আহিব লগা হয় আৰু ৰছুলে কৰিম (ছাঃ) য়ে যুদ্ধৰ ময়দানত অকলে ৰৈ যায়। এনে অৱস্থাত তেখেত (ছাঃ) ৰ মূৰত আহি এটা পাথৰৰ আঘাত লাগে যাৰ ফলত নিজৰ মূৰৰ গজাল নিজৰ মূৰত সোমাই যায় আৰু লগে লগে তেখেত (ছাঃ) অচেতন হৈ সৰু গাঁত এখনত পৰি যায়। তাৰ পিছত চাহাবী এজনে সেই গজাল কামুৰি উলিৱাইছিল আৰু তেখেতৰ দাঁতও ভাঙি গৈছিল।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে ইয়াত আহমদী সকলৰ বাবেও এটা শিক্ষনীয় বিষয় আছে। এটা উপদেশ সদৃশ এয়া যে হজৰত মছিহ মাওউদ (আঃ) ক মানি লৈ ললে, পূৰ্ণ ইতায়েত (আনুগত্য) ই হ'ল কৃতকাৰ্য্যতা আৰু বিজয়ৰ জামিন স্বৰূপ। গতিকে প্ৰত্যেকেই নিজৰ অৱস্থাক গমি চোৱাৰ আৱশ্যক আছে যে তাৰ আনুগত্যৰ মান কিমান দুৰ। আল্লাহ তায়লা যেনেকুৱা হজৰত আব্দুল্লাহ বিন জাবেৰ আৰু তাৰ লগৰীয়া সকলক বিশ্বাসৰ সৈতে আদেশৰ মূল বুজি পাওঁতা বনাইছিল, আল্লাহ আমাক ও তেনেকুৱা আদেশৰ মুল বুজি পোৱাৰ তৌফিক দান কৰক। আৰু এনেদৰে সদায় আল্লাহৰ কৃপাৰ অংশীদাৰ বনাই যাওঁক।

হুযুৰ আনোৱাৰ (আইঃ) য়ে ঘোষণা কৰে যে নমাজে জুমাৰ পিছত এটা নমাজে জানাজা গায়েব পঢ়া হ'ব। মৰহুম নাদেৰ আল হুছনি চাহাব (কানাডা) ৰ জানাজা। তেওঁ ২০১৮ চনৰ ২০ ডিচেম্বৰত ৮৫ বছৰ বয়সত ইহলীলা সম্ভৰণ কৰিছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। মৰহুম এজন সজ, মুখলিচ,পবিত্ৰ চেতা লোক আছিল। মুচি আছিল আৰু তেওঁৰ মাল কোৰবানীৰ মান বহু উন্নত আছিল। তেওঁ এজন পুতেক আৰু পত্নী এৰি থৈ গৈছে, যি সকলে আহমদী নহয়। আল্লাহ তায়লা মৰহুমৰ মাৰ্জনাৰ দুৱাৰ উন্মোচন কৰক। লগতে মৰহুমৰ পুত্ৰ আৰু পত্নীক হজৰত মছিহ মাওউদ (আঃ) ৰ বয়াতলৈ অহাৰ তৌফিক দান কৰক। তেওঁৰ পৰিয়াল বৰ্গৰ প্ৰতি কৰা দোৱা কবুল কৰি লওঁক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwa 28 Dec 2018**

**(BOOK POST PRINTED MATTER)**

**To**

-------------------------------------------------------------------------

-------------------------------------------------------------------------

-------------------------------------------------------------------------

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844